# হাজৰিকাৰ সান্নিধ্যত

## নৰেন্দ্ৰনাথ শৰ্মা

অসমৰ সংবাদ জগতৰ প্ৰবাদপুৰুষ কীৰ্তি হাজৰিকা যে এনেকৈ অকালতে আমাৰ মাজৰ পৰা চিৰকালৰ কাৰণে আঁতৰি গ'ল বিশ্বাস কৰিবলৈকে টান লাগিছে। বাটলৈ ওলাই গৈ লগ পোৱা শুধ বগা চুৰিয়া-পাঞ্জাবীযোৰ পিন্ধি বেগাই খোজকাঢ়ি ফুৰা শুভ্ৰবৰ্ণৰ সুন্দৰ সুঠাম পুৰুষজনক আৰু যে কেতিয়াও দেখা নাপাম, ভাবিলে মনটো কিবা লাগি যায়।

আজিৰ পৰা প্ৰায় চল্লিছ বছৰৰ আগৰে পৰা মানুহজনক লগ পাই আহিছিলোঁ যদি প্ৰায় পোন্ধৰ বছৰ আগৰ পৰা পাঁচ বছৰ একেলগে গাত গা লগাই বহি চলন্ত অভিধানৰ (যাৰ পাণ্ডুলিপি এতিয়াও কিজানি চৰকাৰী আলমাৰিৰ নিগনি-পইতাচোৰাৰ ক্ৰীড়াভূমি হৈয়ে আছে) কাম কৰি থাকোঁতে আৰু তেতিয়াৰ পৰা তেওঁৰ লগত সান্নিধ্য ঘনিষ্ঠ হৈ পৰিছিল। এতিয়া সেই সহকৰ্মীসকলৰ এজন এজনকৈ ইহ-সংসাৰৰ পৰা বিদায় লোৱাৰ পিছত ৰৈছিলোঁগৈ আমি দুজন— হাজৰিকা আৰু মই। এতিয়া হাজৰিকাও গুচি গৈ মোক অকলশৰীয়া কৰি গ'ল। বাতৰিকাকতৰ যোগেদি প্ৰচাৰ হোৱা 'মানসিকতা' আদি নতুন নতুন শব্দ-সম্ভাৰেৰে অভিধানৰ কামত বিশেষ অৰিহণা যোগাইছিল হাজৰিকাই। বিজ্ঞান স্নাতক আছিল যদিও হাজৰিকাৰ ভাষা আছিল অতি নিমজ আৰু শক্তিশালী। শব্দ লিখোঁতে বা কোনো তাৎপৰ্য ব্যাখ্যা কৰোঁতে তেওঁৰ ভাষাই অভিধানৰ কামত যথেষ্ট প্ৰাধান্য লাভ কৰিছিল।

কেৱল অভিধানৰ ক্ষেত্ৰতে নহয় সাংবাদিকতা আৰু আন গদ্য-সাহিত্যৰ ক্ষেত্ৰতো ঘৰুৱা অসমীয়া শব্দ প্ৰয়োগত তেওঁ আছিল সিদ্ধহস্ত। তাহানি গুৱাহাটী কেন্দ্ৰত 'গাৱঁলীয়া ৰাইজ' পৰিচালনা কৰোঁতে আৰু পিছত সুদীৰ্ঘ কাল ধৰি বাতৰিকাকতৰ সম্পাদকীয় স্তম্ভত নিভাঁজ অসমীয়া ঠাঁচত ঘৰুৱা অসমীয়া শব্দহে ব্যৱহাৰ কৰিবলৈ সংকল্প লোৱাৰ কথা তেওঁ আমাক কৈছিল। সেই ভাষা আছিল সাৱলীল আৰু মিঠা কিন্তু বলিষ্ঠ নিৰ্ভীকতাৰ ভাষা।

কীৰ্তিনাথ হাজৰিকা আছিল সংবাদিক। সাংবাদিক আছিল ঠিকেই। কিন্তু তেওঁৰ ব্যক্তিৰ লগত ঘনিষ্ঠভাৱে যিসকল চিনাকি হ'ব পাৰিছিল, তেওঁলোকে জানিছিল যে সাংবাদিকতা কেৱল তেওঁৰ জীৱিকা উপাৰ্জনৰ পথেই নাছিল ই আছিল তেওঁৰ জীৱনাদৰ্শ। দৈনিক অসমৰ প্ৰথম সংখ্যাৰ সম্পাদকীয়ত তেওঁ লিখিছিল ঃ "এয়া পোহৰৰ প্ৰথম পুৱা। পোহৰে প্ৰাণ দিয়ে, প্ৰেৰণা দিয়ে আৰু দিয়ে গতিপথৰ সংকেত।"— এই গতিপথৰ সংকেতৰ বাবে লৈ তেওঁ পোহৰ বিলাই দি গ'ল, প্ৰেৰণা দি গ'ল জাতিটোক।

সাংবাদিকতাৰ ক্ষেত্ৰত কেতিয়াও তেওঁ ভুল নীতিৰ লগত আপোচ নকৰিছিল। নিৰ্ভীকভাৱে দেশৰ— বিশেষকৈ অসমৰ সমস্যাসমূহ আলোচনা কৰিছিল, সৃজনাত্মকভাৱে; সেইবোৰৰ সমাধানৰ বাবে পৰামৰ্শ দান কৰিছিল। এযাৰ কথা তেওঁ সদায় কৈছিল— ভাৰতৰ উন্নতি মানে উত্তৰ-মধ্য ভাৰতৰ কেইখনমান ৰাজ্যৰ উন্নতিয়েই নহয়, সকলো ৰাজ্যৰ উন্নতি হ'লেহে সঁচা অৰ্থত ভাৰতৰ উন্নতি হ'ব।" আৰু কৈছিল— "অসমৰ কথা অসমীয়াই নক'লে কোনে ক'ব? গতিকে মই সদায় অসমৰ স্বাৰ্থজনিত কথাত মাত মাতি যাম। কোনোবাই অসমৰ স্বাৰ্থহানি কৰিবলৈ বিচাৰিলে মোৰ কলমৰ যোগেদি সৰ্বশক্তি প্ৰয়োগ কৰি তাৰ প্ৰতিৰোধ কৰিম।" সেই দেখি তেওঁৰ সাংবাদিকতাৰ নীতি আছিল অসমৰ উন্নতিৰ মাজেদি ভাৰতৰ উন্নতিকল্পে সেৱা আগবঢ়াই যোৱা।

এই নীতিনিষ্ঠ সাংবাদিকজনৰ সাংবাদিকতাৰ মাজেদি প্ৰতিফলিত হোৱা দেখা পাইছিলোঁ— তেওঁৰ অটল সত্যনিষ্ঠা, নিৰ্ভীকতা, নিৰন্তৰ সজাগতা, বাস্তৱ দৃষ্টিভংগী আৰু লগতে শুদ্ধ সাৱলীল ভাষা প্ৰয়োগ। "কোনো কথা প্ৰত্যক্ষভাৱে নিজে নজনাকৈ বা পৰোক্ষভাৱে প্ৰামাণ্য নথি-পত্ৰ নেদেখাকৈ কোনো কথা মই প্ৰকাশ কৰা নাই, নকৰোঁ।" এই সংকল্প তেওঁ আখৰে আখৰে পালন কৰিছিল।

ধকধকীয়া শুকুলা সাজপাৰৰ পিছফালে থকা শুদ্ধ পৰিষ্কাৰ অন্তৰৰ এই মানুহজন আছিল দুৰ্ঘোৰ আশাবাদী। শেহৰ দহ-বাৰ বছৰ মাৰাত্মক ঘৰুৱা পৰিস্থিতিয়ে তেওঁক জুৰুলা কৰিছিল, কষ্ট ভোগাইছিল, লক্ষাধিক টকা ভৰাইছিল যদিও সদায় তেওঁ আশাব্যঞ্জক প্ৰসন্নতাৰে সকলো সহ্য কৰি গৈছিল। তেওঁ কিজানি সান্ত্বনা লভিছিল এই বুলি ঃ

'দুঃখে যাদের জীৱন গড়া
তাদের আবার দুঃখ কি রে।'

এয়া পিছে অকল ঘৰুৱা জীৱনতে নাছিল আছিল সাংবাদিক জীৱনতো। ঘাত-প্ৰতিঘাতৰ খুন্দা খাই খাই শেষ কালত তেওঁ লিখিছিল ঃ

"বেলি লহিওৱাৰ পৰত আজি অৱশ্যে কাকুতি ঘোষা গাবলৈ লোৱা নাই। নিৰাশাৰ খেৱালি জাল মাৰি নিজক আঁৰ কৰাৰ সমলো বিচৰা নাই। আশা মই এৰা নাই— বাচি থকা দিনকেইটালৈকে নেৰোঁ।... ঘৰুৱা জীৱনত আৰু ৰাজহুৱা জীৱনতো (সাংবাদিকতাৰ জীৱনত) মনে খন্দা পুখুৰীত পানী খাবলৈ নেপালোঁ।... তথাপি আশাৰ বালিচৰ নিৰাশাই বুৰাই পেলোৱা নাই...' (চাৰিটা দশকৰ জলঙাইদি)

তথাপি তেওঁৰ ঘৰুৱা জীৱনৰ অশেষ দুখ-কষ্ট যেয়ে ওচৰাৰ পৰা প্ৰত্যক্ষ কৰিছিল তেওঁৰে অন্তৰ ব্যথিত হ'বলৈ বাধ্য। তেওঁৰ সংঘাতময় জীৱন-যুদ্ধ চলি থাকোঁতেই জানিবা মৃত্যুৰ শীতল স্পৰ্শই সকলো দুখ-যন্ত্ৰণাৰ পৰা তেওঁক মুক্তি দিলে, কিন্তু তেওঁৰ হৃদয়স্পৰ্শী স্মৃতিক জাতিৰ অন্তৰৰ পৰা কাঢ়ি নিব নোৱাৰে।

হাজৰিকাৰ অমৰ আত্মাই চিৰশান্তি লাভ কৰক— এয়ে আমাৰ প্ৰাৰ্থনা। ◆